**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-11-2025
**Time:** 1340 Hrs

***Assamese Midday Bulletin***

০০০০০০০০০

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভুটানৰ ৰজা জিগমে খেচৰ নামগ্যান ৱাংচুক আৰু চতুৰ্থ ড্ৰুক গ্যালপোৰ সৈতে কালচক্ৰ অভিষেক অনুষ্ঠান মুকলি কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেব'ৰ'ণত বটছ্'ৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক বিষয়ত বাৰ্তালাপ কৰিব।

৩। ভাৰত আৰু কিউবাই ফৌজদাৰী বিষয়ৰ ক্ষেত্ৰত পাৰস্পৰিক আইনী সাহায্য চুক্তি আৰু সাংস্কৃতিক বিনিময় আৰু সহযোগিতা বিষয়ক নীতি-নিয়ম সন্দৰ্ভত দেশখনৰ ৰাজধানী হাভানাত এখন বুজিবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৪। সমগ্ৰ দেশত আজি লোকসেৱা সম্প্ৰচাৰ দিৱস পালন কৰা হৈছে।

***আৰু***

৫। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি ৪ বজাত দিছপুৰৰ লোকসেৱা ভৱনত শূন্য ব্যয় বীমা আঁচনি মুকলি কৰিব।০০০০০০

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভুটানৰ ৰজা জিগমে খেচৰ নামগ্যান ৱাংচুক আৰু চতুৰ্থ ড্ৰুক গ্যালপোৰ সৈতে কালচক্ৰ অভিষেক অনুষ্ঠান মুকলি কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে সম্প্ৰতি ভুটানত থকা প্ৰধানমন্ত্ৰী মোদীয়ে কালি থিম্ফুত ভুটানৰ ৰজাৰ সৈতে অনুষ্ঠিত আলোচনাৰ অন্তত দেশখনৰ শক্তি প্ৰকল্পৰ বাবে বিত্তীয় সাহায্য হিচাপে ৪ হাজাৰ কোটি টকাৰ ৰেহাই দৰত ঋণ আগবঢ়োৱাৰ কথা ঘোষণা কৰে। বৈঠকত দুয়োগৰাকী নেতাই পাৰস্পৰকি স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ আলোচনা কৰে। দুয়োগৰাকী নেতাই লগতে ১ হাজাৰ ২০ মেগাৱাট উৎপাদন ক্ষমতাসম্পন্ন পুণাৎছাংচু দ্বিতীয় জলবিদ্যুৎ প্ৰকল্প যুটীয়াভাৱে উদ্বোধন কৰে। দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে নৱীকৰণযোগ্য শক্তি, মানসিক স্বাস্থ্য সেৱা আৰু স্বাস্থ্য যতন ক্ষেত্ৰৰ তিনিখন বুজাবুজিৰ চুক্তিতো তেওঁলোকে স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ভুটানৰ প্ৰধানমন্ত্ৰী দাছো ছেৰিং তবগেৰ সৈতেও মত বিনিময় কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গেব'ৰ'ণত বটছ'ৱানাৰ ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক বিষয়ত বাৰ্তালাপ কৰিব। দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে দেশ দুখনৰ মাজত বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি, শক্তি, কৃষি, স্বাস্থ্য, ফাৰ্মাচিউটিকেল, প্ৰতিৰক্ষা আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ক আদি একাধিক বিষয় সন্দৰ্ভত আলোচনা কৰিব। ভাৰত আৰু বটছ'ৱানাৰ সম্পৰ্ক গণতান্ত্ৰিক মূল্যবোধ, পাৰস্পৰিক সন্মান আৰু বিভিন্ন খণ্ডত ঘনিষ্ঠ সহযোগিতাৰে বান্ধ খাই আছে। দক্ষতা বৃদ্ধি দুয়োখন ৰাষ্ট্ৰৰ মাজৰ অংশীদাৰিত্বৰ এটা অতি শক্তিশালী স্তম্ভ। বিগত ১০টা বছৰত প্ৰায় ৭৫০ জন বিভিন্ন বৃত্তিৰ লোক, শিক্ষাৰ্থী, জোৱান আৰু অসামৰিক সেৱাৰ বিষয়াই ভাৰতত প্ৰশিক্ষণ লাভ কৰিছে। দুয়োখন ৰাষ্ট্ৰৰ মাজৰ বাণিজ্যিক সম্পৰ্ক বিশেষকৈ বিভিন্ন ৰত্ন আৰু হীৰা খণ্ডৰ ব্যৱসায়ে প্ৰাধান্য লাভ কৰি আহিছে। ভাৰতে সম্প্ৰতি এই ব্যৱসায় অন্যান্য খণ্ডলৈ প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশখনৰ সংসদত ভাষণ দিয়াৰ লগতে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব।

০০০০০০০

ভাৰত আৰু কিউবাই ফৌজদাৰী বিষয়ৰ ক্ষেত্ৰত পাৰস্পৰিক আইনী সাহায্য চুক্তি আৰু সাংস্কৃতিক বিনিময় আৰু সহযোগিতা বিষয়ক নীতি-নিয়ম সন্দৰ্ভত দেশখনৰ ৰাজধানী হাভানাত এখন বুজিবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু কিুবাৰ কাৰ্য্যবাহী বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গেৰ্ৰাডো পেনাল্‌ৱৰ প'ৰ্টলৰ মাজত হোৱা বৈঠকৰ সময়ত এই চুক্তি স্বাক্ষৰিত হয়। বৈঠকত দুয়ো পক্ষই দ্বিপাক্ষিক সহযোগিতাৰ প্ৰগতি পৰ্য্যালোচনা কৰে আৰু পাৰস্পৰিক স্বাৰ্থজড়িত ক্ষেত্ৰসমূহত সহযোগিতা সম্প্ৰসাৰণৰ বিষয়ে আলোচনা কৰে। আলোচনাকালত শ্ৰী পেনাল্‌ৱৰে শেহতীয়া কেইটামান বছৰত কিউবা দ্বীপপুঞ্জত অহা ঘূৰ্ণী বতাহৰ সময়ত ভাৰতে আগবঢ়োৱা সহায়-সহযোগিতাৰ শলাগ লয়। তেওঁ কয়, যে অলপতে অহা মেলিছা ঘূৰ্ণী বতাহৰ সময়ত ভাৰতে দেশখনলৈ মানৱীয় সাহায্য হিচাপে ২০ টন সামগ্ৰী প্ৰেৰণ কৰিছে আৰু এই ঘূৰ্ণী বতাহৰ ফলত দেশখনৰ প্ৰভাৱিত দেশখনৰ পূব অংশত নাগৰিকসকললৈ চিকিৎসা সেৱা আগবঢ়োৱাৰ বাবে এখন ভ্ৰাম্যমান ক্ষেত্ৰ চিকিৎসালয়ৰ ব্যৱস্থা কৰিছে।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নড্ডাই আজি বিশ্ব নিউমোনিয়া দিৱস উপলক্ষে প্ৰতিটো শিশুক এই ৰোগৰ পৰা সুৰক্ষা প্ৰদান কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। শ্ৰীনড্ডাই সামাজিক মাধ্যমযোগে কয়, যে চৰকাৰে শক্তিশালী স্বাস্থ্য ব্যৱস্থা আৰু সামাজিক সজাগতাৰ জৰিয়তে শিশুৰ মাজত নিউমোনিয়া ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে সামাজিক সচেতনতা আৰু নিউমোনিয়া ৰোগ সফলতাৰে নিয়ন্ত্ৰণৰ কৰাৰ বাবে বিশেষ উদ্যম গ্ৰহণ কৰিছে। এই অভিযানত **নিউমোনিয়া নহী তো বচপন সে হী** বাৰ্তাই এই ৰোগ নিয়ন্ত্ৰণ আৰু সময়মতে ৰোগীসকলৰ যত্নৰ উদ্দেশ্যে সমূহীয়া ব্যৱস্থা গ্ৰহণৰ বাবে অনুপ্ৰেৰণা যোগাই আহিছে।

০০০০০০০

কেন্দ্ৰীয় বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত লঘূ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ জগতৰ সৈতে জড়িত সংশ্লিষ্ট পক্ষৰ সৈতে তৃতীয় প্ৰাক্-বাজেট আলোচনাত অধ্যক্ষতা কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ এই কথা জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই বৈঠকত বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰী আৰু   লঘু, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ দপ্তৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি ৪ বজাত দিছপুৰৰ লোকসেৱা ভৱনত শূন্য ব্যয় বীমা আঁচনি মুকলি কৰিব। এই আঁচনিৰ অধীনত যোৱা পহিলা জানুৱাৰীৰ পৰা মৃত কৰ্মচাৰীৰ পৰিয়াললৈ ধনৰাশি প্ৰদান কৰা হ'ব। আঁচনিৰ অধীনত সৰ্বাধিক ১ কোটি টকাৰ ব্যক্তিগত দুৰ্ঘটনাজনিত বীমা আৰু ন্যূনতম ২ কোটি টকাৰ বিমান দুৰ্ঘটনাজনিত বীমা প্ৰদান কৰা হ'ব। একেদৰে, সৰ্বাধিক ১ কোটি টকাৰ সম্পূৰ্ণ পংগুত্তৰ বীমা আৰু ৮০ লাখ টকাৰ স্থায়ী পংগুত্তৰ বীমা সুবিধা আগবঢ়োৱা হ'ব। আঁচনিখনৰ অধীনত ন্যূনতম ১০ লাখ টকাৰ ম্যাদী জীৱন বীমাৰ সুবিধা আগবঢ়োৱা হ'ব। ৰাজ্যখনৰ ঠিকাভিত্তিক আৰু পি এছ ইউ কৰ্মচাৰীসকলকো সামৰি লোৱা হ'ব। এই সন্দৰ্ভত আজি এক্সিছ বেংকৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ কথা।

০০০০০০০

প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে আজি পঞ্চদশ ভাৰত-ভিয়েটনাম প্ৰতিৰক্ষা নীতি আলোচনাত ভাগ লোৱাৰ সুযোগতে দেশখনৰ প্ৰতিৰক্ষা চোৰাংচোৱা বিভাগৰ উপ সঞ্চালকপ্ৰধান মেজৰ জেনেৰেল ফাম থান খিয়েতক সাক্ষাৎ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে, সাক্ষাৎকালত দুয়োপক্ষই প্ৰতিৰক্ষা উদ্যোগ আৰু জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বিষয়ে আলোচনা কৰে। বৈঠকত শ্ৰীসিঙে মেক-ইন ইণ্ডিয়া - মেক ফৰ দ্যা ৱৰ্ল্ড দৃষ্টিভংগীৰ অধীনত ভাৰতৰ বিশ্বমানৰ প্ৰতিৰক্ষা নিৰ্মাণৰ বিষয়ে আলোকপাত কৰা বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে।

০০০০০০০

ভাৰত, জাপান, অষ্ট্ৰেলিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰক লৈ গঠিত ৪ খন কুৱাড ৰাষ্ট্ৰই ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দেশকেইখনৰ মাজত পাৰস্পৰিক সহযোগিতা সুদৃঢ় কৰাৰ লক্ষ্যৰে মালাবাৰ-২০২৫ শীৰ্ষক এটা ব্যাপক নৌ অনুশীলনত অংশ লৈছে। অষ্ট্ৰেলিয়াৰ যুটীয়া অভিযানৰ মুৰব্বী ভাইচ এডমিৰেল জাষ্টিন জনে কয়, যে বৰ্তমান সময়ত বৃদ্ধি পোৱা সুৰক্ষাৰ প্ৰত্যাহ্বানসমূহৰ মাজত এই অনুশীলনে আঞ্চলিক সহযোগিতাৰ নীতিসমূহক প্ৰতিফলিত কৰিছে। তেওঁ লগতে কয়, যে ছাবমেৰিনৰ আক্ৰমণ প্ৰতিহত কৰা, বায়ু প্ৰতিৰক্ষা আদিৰ এই নৌ অনুশীলনে অংশগ্ৰহণকাৰী দেশসমূহৰ মাজত আস্থা বৃদ্ধি কৰাৰ লগতে যুঁজৰ বাবে সাজু থকাৰ ক্ষেত্ৰত সহায় কৰিব। ১৯৯২ চনত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত এই মালবাৰ নৌ অনুশীলন আৰম্ভ হৈছিল। ইয়াৰ পাছত কুৱাড ৰাষ্ট্ৰ কেইখনৰ মাজত এই অনুশীলন অনুষ্ঠিত হৈ আহিছে। শেষৰবাৰ ২০২৩ চনত অষ্ট্ৰেলিয়াই এই অনুশীলনৰ আয়োজন কৰিছিল। সাগৰীয় সুৰক্ষা আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত মুক্তভাৱে আহ-যাহৰ স্বাধীনতা আদিৰ বাবে কুৱাড ৰাষ্ট্ৰকেইখনে এই নৌ অনুশীলন অনুষ্ঠিত কৰি আহিছে।

০০০০০০০

পশ্চিমবংগ চৰকাৰৰ মহাধিবক্তাগৰাকীয়ে কালি কলকাতা উচ্চ ন্যায়ালয়ৰ আগত কয়, যে ৰাজ্যখনত ২০১৬ বৰ্ষত হোৱা প্ৰাথমিক শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়াত কোনো ধৰণৰ দুৰ্নীতি হোৱা নাই। বিষয়টো লৈ ন্যায়ালয়ত ইতিমধ্যে কেইবাবাৰো শুনানী অনুষ্ঠিত হৈছে। প্ৰাথমিক শিক্ষা পৰিষদে আজি ন্যায়ালয়ত নিজৰ প্ৰতিবেদন দাখিল কৰাৰ কথা।  ২০১৬ চনত হোৱা পৰীক্ষাৰ জৰিয়তে ৩২ হাজাৰ শিক্ষকক নিযুক্তি দিয়া

হৈছিল। ইয়াৰ পূৰ্বে ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি, টেইট পৰীক্ষাত অনুত্তীৰ্ণ একাংশ প্ৰাৰ্থী বৰ্খাস্ত কৰা হৈছে। ইপিনে, ৰাজ্যখনৰ প্ৰাক্তন শিক্ষামন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেতা পাৰ্থ চট্টোপাধ্যায়ক কালি আদালতে জামিনত মুকলি কৰি দিয়ে তেওঁক শিক্ষক নিযুক্তি গোচৰৰ সংক্ৰান্তত চি বি আইয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু তেওঁ ২ বছৰ ধৰি কাৰৰুদ্ধ হৈ আছিল।

০০০০০০০

ইৰাকৰ ৩২৯ টা সংসদীয় সমষ্টিৰ নিৰ্বাচনৰ ভোটগণনা অব্যাহত আছে। ইৰাকৰ নিৰ্বাচন আয়োগে জানিবলৈ দিছে যে, দেশখনৰ প্ৰায় দুই কোটি ১০ লাখ লোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰে। কালি অনুষ্ঠিত নিৰ্বাচনত ৫৫ শতাংশ ভোটদান হয়। দুহেজাৰ ২৪৭ গৰাকী মহিলাকে ধৰি মুঠ ৭ হাজাৰ ৭৪৩ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

প্ৰধানমন্ত্ৰী মহম্মদ শ্বিয়া-আল-ছুদানীয়ে দ্বিতীয়বাৰৰ বাবে ক্ষমতাত অধিষ্ঠিত হোৱাৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হৈছে।

২০০৩ চনত দেশখনত দীৰ্ঘদিনৰ শাসনকৰ্তা ছাদ্দাম হুছেইনক আমেৰিকা যুক্তৰাষ্ট্ৰই নিধন কৰাৰ পাছত এইটো হৈছে দেশখনৰ ষষ্ঠ নিৰ্বাচন।

০০০০০০০

সমাপ্ত